# অধ্যায় ৪

# শিক্ষণ (Learning)

## পাঠটোৰ উদ্দেশ্য (Objectives of the Lesson)

(a) ছাত্ৰ-ছাত্ৰীৰ শিক্ষণ, ইয়াৰ প্ৰকৃতি, পদ্ধতি সম্পৰ্কে জ্ঞান দিয়া।
(b) শিক্ষণৰ বিভিন্ন সূত্ৰ, তাৎপৰ্য্য সম্পৰ্কে অৱগত কৰোৱা।

## প্ৰস্তাৱনা (Introduction) :

সকলো জীৱই কিছুমান বিশেষ কাৰ্যক্ষমতাৰ অধিকাৰী হয়। এনে ক্ষমতা সমূহৰ ভিতৰত অন্যতম হৈছে শিক্ষণ বা শিকিব পৰা ক্ষমতা। আন প্ৰাণীসমূহৰ আচৰণ ঘাইকৈ প্ৰবৃত্তিৰ দ্বাৰা পৰিচালিত হয়। কিন্তু মানুহে শিক্ষণৰ সহায়ত প্ৰবৃত্তিগত আচৰণৰ সংশোধন ঘটাই উন্নত আচৰণ প্ৰদৰ্শন কৰিবলৈ আৰু পৰিবৰ্তিত পৰিবেশত খাপ খাই ল'বলৈ সক্ষম হয়। মানৰ সভ্যতাৰ বিকাশৰ মূল কাৰণ হৈছে শিক্ষণ। ইয়াৰ বাবেই মানুহ জীৱশ্ৰেষ্ঠ হিচাপে পৰিগণিত হৈছে। অৰ্থাৎ যি ক্ষমতাই পূৰ্ব অভিজ্ঞতাৰ পৰিবৰ্তন সাধন কৰি নতুন পৰিস্থিতিত খাপ খুৱাই চলাত সহায় কৰে তাকে শিক্ষণ বুলিব পাৰি।

উদাহৰণ স্বৰূপে এটি শিশুৱে জন্মৰেপৰা পৰিবেশৰ বিভিন্ন অৱস্থাৰ সন্মুখীন হৈ বিভিন্ন অভিজ্ঞতা লাভ কৰে। অভিজ্ঞতাৰ ফলস্বৰূপে এক উন্নত পৰিবেশত খাপ খাবলৈ সক্ষম হয়।

## শিক্ষণৰ সংজ্ঞা (Definitions of Learning) :

শিক্ষণ হৈছে এক অবিৰত ক্ৰিয়া প্ৰচেষ্টা যিটো ব্যক্তিৰ সমগ্ৰ জীৱন আগুৰি থাকে। বিভিন্ন অভিজ্ঞতাৰ ফলস্বৰূপে হোৱা আচৰণৰ সংশোধন হৈছে শিক্ষণ। বিভিন্ন মনোবিজ্ঞানীয়ে শিক্ষণ সম্পৰ্কে নিজৰ নিজৰ অভিমত দাঙি ধৰিছে। তলত কেতবোৰ উল্লেখনীয় সংজ্ঞা আগবঢ়োৱা হ'ল—

মানৰ (Munn) মতে, "শিক্ষণ মানে আচৰণ আৰু অভিজ্ঞতাৰ সংশোধন।" (Learning means modification of behaviour and experience)

গিলফোৰ্ডৰ (Guilford) মতে, "আচৰণৰ পৰা উৎপত্তি হোৱা যি কোনো আচৰণৰ সলনিয়েই হ'ল শিক্ষণ।" (Learning is change in behaviour resulting from behaviour)

আই. এ. গেট্‌ছৰ (I. A. Gates) মতে, "শিক্ষণ হৈছে অভিজ্ঞতা আৰু প্ৰশিক্ষণৰ দ্বাৰা আচৰণৰ

সংশোধন সাধন।" (Learning is the modification of behaviour through experience and training)

ই. এ. পীল (E. A. Peel) নামৰ মনোবৈজ্ঞানিক গৰাকীয়ে মত দৰ্শায় যে, "শিক্ষণ হৈছে পৰিৱেশৰ পৰিবৰ্তনৰ ওপৰত নিৰ্ভৰ কৰি হোৱা ব্যক্তিৰ পৰিবৰ্তন।" (Learning is a change in the individual following upon changes in the environment)

ক্ৰো আৰু ক্ৰোৰ (Crow and Crow) ভাষাত, "শিক্ষণ হৈছে জ্ঞান, অভ্যাস আৰু মনোভাৱ আহৰণৰ প্ৰক্ৰিয়া।" (Learning is the acquisition of habits, knowledge and attitudes.)

গতিকে আমি ক'ব পাৰো যে পৰিৱেশ আৰু অভিজ্ঞতাৰ যোগেদি পৰিবৰ্তিত হোৱা আচৰণৰ সংশোধনেই হৈছে শিক্ষণ।

## শিক্ষণৰ প্ৰকৃতি (Nature of Learning)

ওপৰত উল্লেখ কৰা বিভিন্ন সংজ্ঞা বিশ্লেষণ কৰিলে দেখা যায় যে শিক্ষণ হৈছে এক অভিজ্ঞতাৰ ফল। শিক্ষণৰ জৰিয়তে ব্যক্তিৰ আচৰণ, আগ্ৰহ, কৌশল আদিৰ পৰিবৰ্তন হয়। এনে পৰিবৰ্তনে ব্যক্তিক সমাজৰ লগত সুস্থ সমাযোজনত সহায় কৰে। এনেকৈ অভিজ্ঞতাৰ দ্বাৰা ব্যক্তিয়ে আচৰণৰ পৰিবৰ্তন সাধন কৰি সমাজৰ বিভিন্ন পৰিৱেশত খাপ খুৱাই লোৱাটোৱেই হৈছে শিক্ষণ। গতিকে শিক্ষণ এক সচেতন আৰু সক্ৰিয় প্ৰক্ৰিয়া। ব্যক্তিয়ে সচেতন ভাৱে আৰু সক্ৰিয়তাৰে শিক্ষণ লাভত জড়িত হব লাগিব। ব্যক্তিৰ প্ৰয়োজন পূৰণত শিক্ষণ হৈছে এক উপযুক্ত প্ৰতিক্ৰিয়া। ব্যক্তিৰ আশা-আকাংক্ষা, আচৰণৰ পৰিবৰ্তন, অভিজ্ঞতা আহৰণ আদিৰ মূলতে হ'ল শিক্ষণ। এনে অৰ্থত, শিক্ষণ হৈছে এক জীৱন-যোৰা প্ৰচেষ্টা। সকলো ব্যক্তিয়ে জীৱনৰ সকলো স্তৰতে শিক্ষা লাভ কৰে আৰু সেয়ে শিক্ষণ হৈছে এক সাৰ্বজনীন প্ৰচেষ্টা। বিভিন্ন পৰিৱেশৰ অৱস্থাৰ পৰিবৰ্তন আৰু এই পৰিবৰ্তনৰ দ্বাৰা ব্যক্তিয়ে লাভ কৰা অভিজ্ঞতাক শিক্ষণ বুলি ক'ব পাৰি। ব্যক্তিৰ বিকাশ আৰু উন্নতিৰ পথ শিক্ষণে দেখুৱাই দিয়ে। গতিকে, শিক্ষণে ব্যক্তিক বিকাশশীল আৰু পৰিবৰ্তিত পৰিস্থিতিত সমাযোজন কৰিবলৈ সক্ষম কৰি তোলে। ব্যক্তিৰ প্ৰবৃত্তি পৰিচালিত আচৰণৰ সুস্থ প্ৰকাশ ঘটাই সকলো ক্ৰিয়া আচৰণত নিজকে খাপ খুৱাই ল'বলৈ শিক্ষণে সহায় কৰে। শিক্ষণৰ সংজ্ঞাসমূহ বিশ্লেষণ কৰিলে আমি নিম্নলিখিত কথাকেইটা ক'ব পাৰো। শিক্ষণৰ সংজ্ঞাসমূহ বিশ্লেষণ কৰিলে আমি নিম্নলিখিত কথাকেইটা ক'ব পাৰো। অৰ্থাৎ শিক্ষণ হৈছে—

১। অভিজ্ঞতাৰ মাজেৰে আহৰণ কৰা জ্ঞান।

২। অভিজ্ঞতাৰ উন্নতিকৰণ আৰু পুনস্মৰণ হ'ল শিক্ষণ।

৩। পূৰ্ব-অভিজ্ঞতাক নতুন ৰূপত সজাই-পৰাই বিভিন্ন পৰিৱেশত সমাযোজন কৰা প্ৰক্ৰিয়াই হৈছে শিক্ষণ।

৪। ব্যক্তিৰ কৰ্মপটুতা, অভ্যাস গঠন আৰু সমস্যা সমাধানৰ যোগ্যতা আহৰণৰ প্ৰচেষ্টাই হ'ল শিক্ষণ।

## শিক্ষণৰ বৈশিষ্ট্য (Characteristics of learning) ঃ

তলত শিক্ষণৰ কেতবোৰ উল্লেখনীয় বৈশিষ্ট্য উল্লেখ কৰা হ'ল—

১। **বিকাশশীল প্ৰক্ৰিয়া (Development) ঃ** শিক্ষণ এক বিকাশশীল প্ৰক্ৰিয়া। যেনেকৈ আমি শাৰীৰিক আৰু মানসিকভাৱে বিকশিত হও, ঠিক তেনেকৈ শিক্ষণো ক্ৰমাগতভাৱে বিকাশ হয়।

২। **সমাযোজন প্ৰক্ৰিয়া (Adjustment) ঃ** শিক্ষণ এক সমাযোজন প্ৰক্ৰিয়া। শিক্ষণৰ দ্বাৰা ব্যক্তিয়ে নিজৰ ক্ৰিয়া-আচৰণৰ সংশোধন ঘটাই নতুন পৰিবেশত সমাযোজন হ'বলৈ সক্ষম হয়।

৩। **উন্নীতকৰণ প্ৰক্ৰিয়া (Improvement) ঃ** শিক্ষণ এক উন্নীতকৰণ প্ৰক্ৰিয়া। ব্যক্তিয়ে লাভ কৰা অভিজ্ঞতাসমূহক শিক্ষণৰ দ্বাৰা উন্নীত কৰিব পাৰি।

৪। **লক্ষ্যৰ দ্বাৰা পৰিচালিত (Goal Orientated) ঃ** শিক্ষণ সদায় লক্ষ্য আৰু উদ্দেশ্যৰ দ্বাৰা পৰিচালিত হয়। লক্ষ্যবিহীন শিক্ষণ স্থায়ী হব নোৱাৰে।

৫। **অভিজ্ঞতা পুৰ্ণতা গঠন (Organising experiences) ঃ** শিক্ষণ এক অভিজ্ঞতাৰ সংগঠন। শিক্ষণৰ দ্বাৰা ব্যক্তিয়ে নতুন অভিজ্ঞতা লাভ কৰে, নতুন ক্ৰিয়া কৌশল আয়ত্ত কৰে। পুৰণি অভিজ্ঞতাক নতুন ৰূপত সংগঠন কৰাত শিক্ষণে সহায় কৰে।

৬। **সক্ৰিয় প্ৰচেষ্টা (Active) ঃ** শিক্ষণ এক সক্ৰিয় প্ৰচেষ্টা। শিক্ষণ লাভত ব্যক্তিয়ে সক্ৰিয়তাৰে অংশ গ্ৰহণ কৰিলেহে শিক্ষা কাৰ্য্য ফলৱৰ্তী আৰু দীৰ্ঘস্থায়ী হয়।

৭। **পৰিপক্কতাৰ ওপৰত নিৰ্ভৰশীল (Depend on Maturation) ঃ** শিক্ষণ ব্যক্তিৰ দেহ-মানসিক পৰিপক্কতাৰ ওপৰত নিৰ্ভৰশীল। ব্যক্তিৰ দেহ মানসিক ক্ষমতা, আগ্ৰহ, মনোভাৱ, বুদ্ধি আদিৰ লগত শিক্ষণ ওতঃপ্ৰোত ভাৱে জড়িত।

৮। **অভিৰোচনৰ লগত সম্পৰ্কিত (Related with motivation) ঃ** শিক্ষণ আৰু অভিৰোচনৰ মাজত এক নিবীড় সম্পৰ্ক আছে। অভিৰোচনে ব্যক্তিৰ মনত শিক্ষণৰ বাবে আগ্ৰহ, উৎসাহ আৰু উপযুক্ত পৰিবেশৰ সৃষ্টি কৰিব পাৰে।

৯। **ব্যক্তিগত আৰু সামাজিক কাৰ্য (Individual and Social) ঃ** শিক্ষণ এক ব্যক্তিগত আৰু সামাজিক কাৰ্য্য। ব্যক্তিৰ সমগ্ৰ জীৱনৰ সাফল্য শিক্ষণৰ ওপৰত নিৰ্ভৰ কৰে। আনহাতে ব্যক্তিৰ মন সচেতনভাৱে নাইবা অচেতন ভাৱেই হওক সমাজৰ দ্বাৰা পৰিচালিত হয়।

১০। **সাৰ্বজনীন (Universal) ঃ** শিক্ষণ সাৰ্বজনীন আৰু অবিৰত। প্ৰত্যেক জীৱই অবিৰতভাৱে শিক্ষণ ক্ষমতা লাভ কৰে।

১১। **স্বতঃস্ফূৰ্ত (Spontaneous) ঃ** শিক্ষণ স্বতঃস্ফূৰ্তভাৱে সম্পাদিত হয়। পৰিবেশৰ লগত সমাযোজন প্ৰক্ৰিয়াত ব্যক্তিয়ে সকলো কাৰ্য্য স্বতঃস্ফূৰ্তভাৱে সম্পাদন কৰে আৰু আচৰণৰ সংশোধনত সহায় কৰে।

১২। **শিক্ষণ সৃষ্টিশীল (Creative) ঃ** শিক্ষণ ব্যক্তিৰ সৃষ্টিশীল চিন্তনকাৰ্যৰ লগত জড়িত। সেয়েহে, আমি ক'ব পাৰো যে শিক্ষণ এক সচেতন প্ৰক্ৰিয়া। কোনো কথা শিকিবলৈ বা আয়ত্ত কৰিবলৈ হ'লে ব্যক্তি সদায় শিক্ষণীয় ব্যৱস্থাত সক্ৰিয়ভাৱে জড়িত হ'ব লাগিব।

## শিক্ষণ আৰু পৰিপক্কতা (Learning and Maturation) ঃ

শিক্ষণ আৰু পৰিপক্কতা ওতঃপ্ৰোতভাৱে জড়িত আৰু এটা আনটোৰ ওপৰত নিৰ্ভৰশীল। পৰিপক্কতা হৈছে এক পৰিৱৰ্তন যিয়ে বক্তিৰ বয়সৰ লগত জড়িত। ব্যক্তিয়ে যেতিয়া স্বাভাৱিক বিকাশৰ জৰিয়তে শাৰীৰিক, বৌদ্ধিক, আবেগিক, সামাজিক আদি দিশৰ সুস্থ প্ৰকাশ ঘটে তাকে পৰিপক্কতা লাভ কৰা বুলি ক'ব পাৰি। পৰিপক্কতা শিক্ষণৰ ফলাফল আৰু বিকাশৰ স্তৰৰ লগত জড়িত। কেনো এক শিক্ষা গ্ৰহণৰ পূৰ্বে এক নিৰ্দিষ্ট পৰিপক্ক স্তৰ লাভ কৰা উচিত। উদাহৰণস্বৰূপে, এটা ছমহীয়া শিশু কিদৰে বা কেনেকৈ এটা বস্তুত হাতত ল'ব লাগে বা ঘূৰাব লাগে বুজি নাপায়। কিয়নো এই স্তৰত শিশুটোৰ কোনো মগজু বা শৰীৰ বিকাশ ভালদৰে নহয়। সেইদৰে নিৰ্দিষ্ট এটা পৰ্যায় বা স্তৰ নোপোৱালৈকে এটা শিশুৱে কেনেকৈ কথা, ভাৱ-ভঙ্গী প্ৰকাশ কৰিব লাগে বুজি নাপায়। গতিকে পৰিপক্কতা হৈছে এক বিকাশশীল প্ৰক্ৰিয়া যাৰদ্বাৰা ব্যক্তিয়ে সময়ে সময়ে নিজৰ গুণ, প্ৰকৃতি, আচৰণ আদিৰ প্ৰকাশ কৰে। পৰিপক্কতা হৈছে ব্যক্তিৰ স্বতন্ত্ৰ কাৰ্য, অভিজ্ঞতা আৰু অনুশীলন। শিক্ষণৰ সাফল্য বা কৃতকাৰ্য্যতা ব্যক্তিৰ পৰিপক্কতাৰ ওপৰত নিৰ্ভৰশীল। ব্যক্তিয়ে পৰিপক্কতা লাভ কৰিলেহে শিক্ষণৰ বিভিন্ন স্তৰত উপনীত হ'ব পাৰে। ব্যক্তিৰ প্ৰতিক্ৰিয়া, প্ৰবৃত্তিমূলক কাৰ্য, স্বনিয়ন্ত্ৰিত কাৰ্য আদি পৰিপক্কতাৰ ফল যদিও এনেবোৰ কাৰ্যৰ সাধাৰণতে শিক্ষণৰ দ্বাৰা লাভ কৰিব পাৰি। গতিকে শিক্ষণ আৰু পৰিপক্কতা ইটো-সিটোৰ ওপৰত নিৰ্ভৰশীল।

পৰিপক্কতা হৈছে ব্যক্তিৰ দৈহিক যোগে লাভ কৰা স্নায়ুকোষ, মাংসপেশী, দেহ-কোষ, গ্ৰহণেন্দ্ৰিয় আদি দেহযন্ত্ৰৰ কাৰ্যক্ষমতা আৰু যোগ্যতাৰ বিকাশ। আমেৰিকাৰ কাৰ্যক্ষমতা আৰু যোগ্যতাৰ বিকাশ। আমেৰিকাৰ মনোবিজ্ঞানী থমছন (Thomson) ৰ মতে, "পৰিপক্কতা হৈছে দৈহিক বৃদ্ধি বা বিকাশ প্ৰক্ৰিয়াৰ আন এটা নাম, যি দৈহিক বৃদ্ধি বা বিকাশ প্ৰক্ৰিয়াৰ আন এটা নাম, যি সময়ত দেহৰ গঠন বা ক্ৰিয়া-সম্পাদন অধিকভাৱে পৈণত হৈ উঠে।"

মনোবিজ্ঞানী মেক্‌গচৰ (McGeoch) ৰ মতে, "বয়সৰ লগে লগে ব্যক্তিৰ শিক্ষা আহৰণৰ ক্ষেত্ৰত সংঘটিত হোৱা যিকোনো পৰিৱৰ্তন, যি মূলতঃ দৈহিক বিকাশৰ ওপৰত নিৰ্ভৰশীল, তাকে পৰিপক্কতা বোলে।"